# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-07-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - - - - - - - - -

১। দেশৰ আগশাৰীৰ অৰ্থনীতিবিদৰ সৈতে নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মত বিনিময়। আসন্ন কেন্দ্ৰীয় বাজেট সন্দৰ্ভত অৰ্থনীতিবিদৰ পৰামৰ্শ গ্ৰহণ।

২। অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত আৰ্হি সলনি সন্দৰ্ভত বিভিন্ন পক্ষই প্ৰতিক্ৰিয়া কৰাত বিষয়টো পুনৰ বিবেচনা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩। ৰাজ্যৰ কেইবাখনো জিলাত বান পৰিস্থিতি উন্নত যদিও ২৭ খন জিলাৰ ১৪ লাখতকৈ অধিক লোক বানৰ কবলত। বানত মৃত্যুৰ সংখ্যা ৮৩ জনলৈ বৃদ্ধি।

৪। ৰাজ্যত বন্ধ হৈ থকা শীতল ভঁৰালসমূহ পুনৰুজ্জীৱিত কৰাৰ লগতে নতুন শীতল ভঁৰাল নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে গুৰুত্ব আৰোপ কৰিছে বুলি কৃষি মন্ত্ৰী অতুল বৰাৰ মন্তব্য।

৫। বিশ্ব জনসংখ্যা দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত বিশেষ কাৰ্যসূচীৰ আয়োজন।

**আৰু**

৬। ওড়িশাৰ ভুৱনেশ্বৰত অনুষ্ঠিত খেলো ইণ্ডিয়া মহিলা মাণ্ডলিক ভাৰোত্তোলন চেম্পিয়নশ্বিপত অসমৰ মনিষা সোণোৱাল, ৰেখামণি গগৈ আৰু মৃদুস্মিতা চিত্ৰকৰৰ ৰূপৰ পদক অৰ্জন।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিত্তমন্ত্ৰী নিৰ্মালা সীতাৰমন আৰু দেশৰ আগশাৰীৰ অৰ্থনীতিবিদসকলৰ সৈতে নতুন দিল্লীত মত-বিনিময় কৰে। শ্ৰীমোদীয়ে আসন্ন কেন্দ্ৰীয় বাজেট সন্দৰ্ভত তেওঁলোকৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰে। অৰ্থনীতিবিদৰ উপৰি বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞসকলো এই বৈঠকত উপস্থিত থাকে। বৈঠকত নীতি আয়োগৰ উপাধ্যক্ষ সুমন বেৰি আৰু অন্য সদস্যসকলেও অংশ লয়।

উল্লেখযোগ্য যে, সংসদৰ বাজেট অধিবেশন ২২ জুলাইত আৰম্ভ হ'ব আৰু ২৩ জুলাইত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে বাজেট উত্থাপন কৰিব। এয়া নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট হ'ব। এই বাজেটে ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ বাবে পথৰ নিৰ্দেশ দিব বুলি আশা কৰা হৈছে। যোৱা মাহত অনুষ্ঠিত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এইবাৰৰ বাজেট চৰকাৰৰ দূৰদৰ্শী নীতি আৰু ভৱিষ্যতৰ উপযোগী দৃষ্টিভংগীৰ ফলপ্ৰসূ নথি হ'ব বুলি মন্তব্য কৰিছিল। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে দেশত সংস্কাৰকামী পৰিৱৰ্তন সাধনৰ বাবে বিভিন্ন ঐতিহাসিক সিদ্ধান্তও বাজেটত অন্তৰ্ভুক্ত কৰিব বুলি আশা কৰিছে। আজিৰ বৈঠকত কেইবাগৰাকীও

বিশেষজ্ঞই চৰকাৰক সাধাৰণ শ্ৰেণীৰ লোকৰ বাবে কৰ ৰেহাই তথা মুদ্ৰাস্ফিতী নিয়ন্ত্ৰণ কৰি দেশৰ অৰ্থনৈতিক বিকাশৰ হাৰ দ্ৰুত কৰি তোলাৰ পৰামৰ্শ দিছে। উল্লেখযোগ্য যে ২০২৩-২৪ বৰ্যত দেশৰ অৰ্থনৈতিক বিকাশৰ হাৰ আছিল ৮ দশমিক ২ শতাংশ। ইয়াৰ আগেয়ে লোকসভা নিৰ্বাচনৰ বাবে যোৱা ফেব্ৰুৱাৰীত অন্তৰৰ্তীকালীন বাজেট দাখিল কৰা হৈছিল।

ooooo

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত আৰ্হি সলনি সন্দৰ্ভত বিভিন্ন পক্ষই প্ৰতিক্ৰিয়া কৰাত বিষয়টো পুনৰ বিবেচনা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজকি মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, বিষয়টো পুনৰ বিবেচনা কৰি এই সন্দৰ্ভত শীঘ্ৰেই সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

ooooo

ৰাজ্যৰ কেইবাখনো জিলাত বতৰ ফৰকাল হোৱাৰ বাবে বাঢ়নি পানী হ্ৰাস পাইছে যদিও এতিয়াও ২৭খন জিলাৰ ১৪ লাখতকৈ অধিক লোক বানৰ কবলত আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা তথ্য অনুসৰি এতিয়াও ৮৬টা ৰাজহ চক্ৰৰ দুহেজাৰ ৫০০ ৰো অধিক গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ৩৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। যোৱা ২৪ ঘণ্টাত বানৰ ফলত পুনৰ ৪ জন লোকে প্ৰাণ হেৰুওৱাত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৮৩ লৈ বৃদ্ধি পাইছে। ৰাজ্য চৰকাৰে, ২০৯টা আশ্ৰয় শিবিৰ আৰু ১৫৬ টা সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰিছে। এন ডি আৰ এফ, এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱক সকলে বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি বৰাক উপত্যকাৰ বান পৰিস্থিতিৰ বুজ লোৱাৰ বাবে শিলচৰত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে কেইবাটাও আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্তসকলৰ অৱস্থাৰ বুজ লয়। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে কাছাৰ জিলাখনৰ আয়ুক্ত কাৰ্যালয়ত এখন বৈঠকত মিলিত হয়। উল্লেখযোগ্য যে ধাৰাষাৰ বৰষুণৰ ফলত কাছাৰ জিলাত বানে বিস্তৰ ক্ষতি কৰিছে। বানৰ ফলত কুম্ভীৰগ্ৰাম বিমান বন্দৰৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথ খহি যোৱাৰ বাবে পথটোৰে যাতায়াত ব্যাহত হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে, ক্ষতিগ্ৰস্ত লোকসকলক সকলো ধৰণৰ সাহায্য আৰু ক্ষতিপূৰণ নিশ্চিত কৰিবলৈ কাছাৰৰ অভিভাৱক মন্ত্ৰীগৰাকী দুদিন জিলাখনত থাকি সকলো দিশ তদাৰক কৰিব।

কৰিমগঞ্জ জিলাৰ বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও কুছিয়াৰা নৈৰ জলপৃষ্ঠ এতিয়াও বিপদসীমাৰ ওপৰত আছে। জিলাখনৰ ৪২ টা অঞ্চল পানীত বুৰগৈ থকাৰ লগতে ২২ হাজাৰৰো অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। বৰাক উপত্যকাৰ বান পৰিস্থিতি সন্দৰ্ভত হাইলাকান্দিৰ পৰা আমাৰ সংবাদদাতা নীলোৎপল দেৱে এইদৰে কয়—-

***ঃঃভইচঃঃ***

লখিমপুৰ জিলাৰ ঢকুৱাখনাত জিয়াঢল নৈৰ বানে ভালেমান অঞ্চল প্লাবিত কৰিছে। কেইবাটাও অঞ্চলত জনসাধাৰণৰ বাসগৃহ আৰু কৃষিভূমি বানত বুৰ গৈ আছে। ইপিনে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বান পৰিস্থিতি এতিয়াও স্বাভাবিক হোৱা নাই। উদ্যানখনত ৯টা গঁড়সহ ১৬৩ টা বন্যপ্ৰাণীৰ বানৰ ফলত মৃত্যু হৈছে। এতিয়াও

উদ্যানখনৰ মুঠ ২৩৩ টা বন শিবিৰৰ ৫১টা পানীৰ তলত আছে। বানত উদ্যানখনৰ ভিতৰৰ কেইবাখনো দলং ভাগি পৰাৰ লগতে অন্যান্য আন্তঃগাঁথনিৰো ক্ষতি হৈছে।

ৰাজ্যৰ খাদ্য আৰু অসামৰিক যোগান তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বৰপেটা জিলাৰ সৰ্থেবাৰীত বান পৰিস্থিতিৰ বুজ লয়। উল্লেখযোগ্য যে, বুঢ়াদিয়া নৈৰ বানে সৰ্থেবাৰীৰ বিস্তীৰ্ণ অঞ্চল বুৰাই পেলোৱাৰ ফলত কেইবাহাজাৰো লোক বানত ক্ষতিগ্ৰস্ত হৈছে। সম্প্ৰতি পানী শুকাইছে যদিও পৰিস্থিতি স্বাভাৱিক হোৱা নাই। মন্ত্ৰীগৰাকীয়ে বান ক্ষতিগ্ৰস্তসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ ক্ষয়-ক্ষতি আৰু সাহায্য বিতৰণ প্ৰক্ৰিয়াৰ বুজ লয়। **গোৱালপাৰা** জিলাৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও যোৱা নিশাৰ পৰা হৈ থকা বৰষুণে পুনৰ ন ন অঞ্চল প্লাবিত কৰাৰ আশংকাই দেখা দিছে। জিলাখনৰ ২৮৭ খন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। জিলাখনত ৮০ হাজাৰৰো অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। প্ৰশাসনে স্থান কৰা ১২ টা আশ্ৰয় শিবিৰত তিনি হাজাৰ ৪০০ৰো অধিক লোকে আশ্ৰয় লৈ আছে।

মৰিগাঁও জিলাত আজি স্বেচ্ছাসেৱী সংস্থা এটাৰ উদ্যোগত জিলাখনৰ ভূৰাগাঁও ৰাজহ চক্ৰৰ বান ক্ষতিগ্ৰস্ত বৰালীমাৰী, কছাৰীগাঁও, লেঙেৰীবড়ি আৰু জেংবড়ি এলেকাত সাহায্য বিতৰণ কৰা হয়। সাহায্যসমূহ বিতৰণৰ সময়ত জিলাখনৰ আয়ুক্ত দেৱাশিষ শৰ্মাৰ উপৰি প্ৰশাসনৰ কেইবাগৰাকী শীৰ্ষ বিষয়া উপস্থিত থাকে।

ৰাজ্যখনত বান পৰিস্থিতিয়ে বিভিন্ন অঞ্চলত সমস্যাৰ সৃষ্টি কৰাৰ প্ৰতি লক্ষ্য ৰাখি সেৱা ভাৰতী পূৰ্বাঞ্চলৰ কৰ্মীসকলে উদ্ধাৰ আৰু সাহায্য অভিযানত জড়িত হৈছে। তেওঁলোকে দেশৰ অন্যান্য প্ৰান্তৰ লোকক অসমৰ বান ক্ষতিগ্ৰস্ত লোকসকলক সহায়ৰ বাবে আহ্বান জনাইছে। তদুপৰি তেওঁলোকে ক্ষতিগ্ৰস্তসকলক সহায়ৰ বাবে বেংক একাউণ্ট নম্বৰ, হোৱাটছ্আপ নম্বৰ আদি মুকলি কৰি জনসাধাৰণক সাহায্য আগবঢ়াবলৈ আগবাঢ়িছে।

ooooo

ৰাজ্যত বন্ধ হৈ থকা শীতল ভঁৰালসমূহ পুনৰুজ্জীৱিত কৰাৰ লগতে নতুন শীতল ভঁৰাল নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি কৃষি বিভাগৰ মন্ত্ৰী অতুল বৰাই প্ৰকাশ কৰিছে। এই সন্দৰ্ভত দিছপুৰত অনুষ্ঠিত এখন বৈঠকত কৃষি উৎপাদন আয়ুক্ত তথা কৃষি বিভাগৰ আয়ুক্ত সচিব অৰুণা ৰাজোৰীয়া, সচিব তেজপ্ৰসাদ ভূষালৰ লগতে বিভাগৰ আন জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মন্ত্ৰী শ্ৰীবৰাই শীতল ভঁৰালসমূহৰ স্থিতি সন্দৰ্ভত আলোচনা কৰে। তেওঁ কয় যে, সহজে নষ্ট হ'ব পৰা খাদ্য সামগ্ৰীৰ ম্যাদ বৃদ্ধি তথা গুণগত মান অক্ষুণ্ণ ৰখা, নষ্ট হোৱাৰ পৰিমাণ হ্ৰাস কৰা, পৰিবহণ ব্যয় হ্ৰাস কৰা আদিৰ ক্ষেত্ৰত শীতল ভঁৰাল ব্যৱস্থাই কৃষক আৰু ব্যৱসায়ীসকলক উপকৃত কৰিব।

ooooo

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ প্ৰেছ ইনফৰমেচন ব্যুৰ' আৰু ছেন্ট্ৰেল ব্যুৰ' অফ কমিউনিকেচনৰ উত্তৰ-পূব মণ্ডলৰ গুৱাহাটীত থকা মুখ্য কাৰ্যালয়ৰ উদ্যোগত কালিৰে পৰা তিনিদিনীয়াকৈ এখন মাণ্ডলিক সন্মিলন অনুষ্ঠিত হৈছে। পি আই বি আৰু চি বি  চিৰ বিষয়াসকলৰ বাবে আয়োজিত এই সন্মিলনৰ আজি দ্বিতীয়দিনা চি বি চিৰ গোটসমূহে বিভিন্ন স্থানত ৰূপায়ণ কৰা কাম-কাজসমূহৰ বিষয়ে আলোচনা কৰা হয়। এই অনুষ্ঠানত পি আই বি উত্তৰ-পূব মণ্ডলৰ সঞ্চালক প্ৰধান কে সতীশ নাম্বুদিৰিপাডে কয় যে, এই সন্মিলনে বিভিন্ন ধাৰণা আৰু

মতামতৰ প্ৰকাশৰ বাবে এখন উমৈহতীয়া মঞ্চ প্ৰদান কৰিছে। পি আই বি গুৱাহাটীৰ অতিৰিক্ত সঞ্চালক প্ৰধান জেন নেমচুৰ লগতে কেইবাগৰাকীও মুখ্য বিষয়াই অংশগ্ৰহণ কৰে।

০০০০০

গুৱাহাটী মহানগৰীৰ জনসাধাৰণ নিৰাপত্তা তথা মহানগৰীখন পোহৰাই ৰখাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে প্ৰায় ২৫ কোটি টকা ব্যয়ৰে ৯৩ টা মূল পথত ষ্ট্ৰীট লাইট সংস্থাপনৰ প্ৰকল্প লৈছে। ইয়াৰ বাবে মহানগৰীখনৰ ষ্ট্ৰীট লাইট নথকা এহেজাৰ ৫২০টা পথ আৰু উপ-পথ চিনাক্ত কৰা হৈছে। ইয়াৰ লগতে দ্বিতীয় পৰ্যায়ত আলংকাৰিক লাইট আৰু অধিক উচ্চতাত ষ্ট্ৰীট লাইট সংস্থাপনৰো পৰিকল্পনা লোৱা হৈছে।

০০০০০

আজি বিশ্ব জনসংখ্যা দিৱস উপলক্ষে গোলাঘাট জিলাত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। গোলাঘাট নগৰৰ বেঙেনাখোৱাৰ নগৰীয়া স্বাস্থ্য কেন্দ্ৰত দিৱসৰ সৈতে সংগতি ৰাখি পৰিয়াল পৰিকল্পনা পষেক আয়োজিত হয়। পষেক উপলক্ষে অনুষ্ঠিত সভাত পৰিয়াল পৰিকল্পনাৰ গুৰুত্ব আৰু জনসংখ্যাৰ ৰোধ সন্দৰ্ভত আলোচনা আয়োজিত হয়। সভাত চিকিৎসক ৰঞ্জিত ভূঞাই পৰিয়াল পৰিকল্পনাৰ গুৰুত্ব আৰু জনসংখ্যা ৰোধৰ বাবে আশাকৰ্মীসকলৰ কৰণীয় সন্দৰ্ভত মতামত আগবঢ়ায়। সভাত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান গোলাঘাটৰ জিলা আঁচনি প্ৰবন্ধক অনুস্কা বৰাই উপযুক্ত সময়ত বিবাহ আৰু গৰ্ভধাৰণৰ প্ৰয়োজন সন্দৰ্ভত ৰাইজক অৱগত কৰে। সভাখনত সাৰথি বাহন মুকলি কৰা হয়।

নগাঁও জিলাতো বিভিন্ন কাৰ্যসূচীৰে বিশ্ব জনসংখ্যা দিৱস উদযাপন কৰা হয়। নগাঁও জিলা স্বাস্থ্য বিভাগৰ লগতে আই পাছ, জিলা আইন সেৱা প্ৰাধিকাৰীৰ সহযোগত বুঢ়াগোহাঁই থান স্বাস্থ্যকেন্দ্ৰত এই দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত পৰিয়াল পৰিকল্পনাৰ ক্ষেত্ৰত উৎকৃষ্ট প্ৰদৰ্শন কৰা তিনিগৰাকী আশাকৰ্মীক বিশেষ বঁটা প্ৰদান কৰা হয়।

উল্লেখযোগ্য যে, জনসংখ্যা বৃদ্ধিৰ ফলত অহা প্ৰত্যাহ্বানসমূহ আৰু সুবিধাসমূহক প্ৰতিফলিত কৰি প্ৰতিবছৰে ১১ জুলাইত এই দিৱস পালন কৰা হয়। বহনক্ষম ভৱিষ্যতৰ বাবে কাম কৰা আৰু জনসংখ্যা বৃদ্ধিৰ লগত জড়িত বিষয়সমূহৰ ক্ষেত্ৰত মোকাবিলা কৰাৰ বাবে প্ৰতিবছৰে এই জনসংখ্যা দিৱস পালন কৰা হয়। জনসংখ্যাৰ বিষয়সমূহৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ প্ৰতি মনোযোগ দিয়াৰ উদ্দেশ্যে ১৯৮৯ চনত ৰাষ্ট্ৰসংঘৰ প্ৰশাসনীয় পৰিষদে উন্নয়ন আঁচনিৰ অধীনত এই দিৱস আৰম্ভ কৰিছিল। ১৯৯০ চনত গ্ৰহণ কৰা প্ৰস্তাৱ অনুসৰি ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই জনসংখ্যাৰ সমস্যাৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি ইয়াৰ লগত পৰিৱেশ আৰু উন্নয়নৰ মাজৰ সম্পৰ্কক প্ৰতিফলিত কৰি প্ৰতিবছৰে বিশ্ব জনসংখ্যা দিৱস পালনৰ সিদ্ধান্ত গ্ৰহণ কৰে। ১৯৯০ চনৰ ১১ জুলাইত ৯০ খনৰো অধিক দেশত প্ৰথমবাৰৰ বাবে বিশ্ব জনসংখ্যা দিৱস পালন কৰা হয়। এইবেলি বিশ্ব জনসংখ্যা দিৱসৰ মূল বিষয়বস্তু হৈছে - 'কাকো বাদ নিদিয়াকৈ সকলোকে গণনা কৰা'।

০০০০০

ৰাজ্য চৰকাৰে **মাতৃ-পিতৃ বন্দনা** কাৰ্যসূচী অনুসৰি চৰকাৰী বিষয়া-কৰ্মচাৰীক পিতৃ-মাতৃ, শাহু-শহুৰৰ সৈতে সময় কটাবলৈ বিশেষ নৈমিত্তিক ছুটী ঘোষণা কৰিছে। এই অনুসৰি চলিত বৰ্ষৰ ৬ আৰু ৮ নৱেম্বৰত এই ছুটী প্ৰদান কৰিব। চৰকাৰী বিষয়া-কৰ্মচাৰীয়ে ৯ নৱেম্বৰৰ দ্বিতীয় শনিবাৰ আৰু ১০ নৱেম্বৰৰ দেওবাৰেও বন্ধ লাভ

কৰিব। অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত বিষয়া-কৰ্মচাৰীসকলে পৰ্যায়ক্ৰমে এই বিশেষ ছুটীৰ সুবিধা লাভ কৰিব। আনহাতে বিষয়া-কৰ্মচাৰীসকলে পিতৃ-মাতৃ আৰু শাহু-শহুৰৰ সৈতে সময় অতিবাহিত কৰাৰ পৰিৱৰ্তে ব্যক্তিগত অৱসৰ বিনোদন বা আন কোনো সময়ত এই ছুটীৰ সুবিধা লাভ কৰিব নোৱাৰিব বুলি সামাজিক মাধ্যমযোগে শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে।

০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০

মাজুলীৰ বৰ এলেঙী সত্ৰৰ সত্ৰাধিকাৰ তথা সত্ৰীয়া সংস্কৃতিৰ নিৰলস সাধক ভবানন্দ দেৱ গোস্বামীৰ আজি দেহাৱসান ঘটে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী অতুল বৰা আৰু মন্ত্ৰী ডা০ ৰণোজ পেগুৱে সত্ৰাধিকাৰগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ একান্ত অনুগামী দেৱ গোস্বামীয়ে অসমীয়া জাতি জীৱনলৈ আগবঢ়োৱা অৱদানক ৰাজ্যবাসীয়ে স্মৰণ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। একেদৰে মন্ত্ৰী বৰা আৰু ডা০ পেগুৱে দেৱ গোস্বামীৰ মৃত্যু জাতীয় জীৱনৰ অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰে।

০০০০০

কৰিমগঞ্জ আৰক্ষীয়ে চুবুৰীয়া ৰাজ্যৰ পৰা অহা এখন বাহনৰ পৰা ১ লাখ নিচাযুক্ত টেবলেট জব্দ কৰিছে। এই ঘটনা সংক্ৰান্তত দুজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীক এই পদক্ষেপৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। ইপিনে লখিমপুৰ জিলাৰ হাৰমতিত আৰক্ষীয়ে বুজন পৰিমাণৰ মাদকদ্ৰব্য জব্দ কৰে। এই সংক্ৰান্তত আৰক্ষীয়ে এজন লোকক আটক কৰে। লোকজনৰ পৰা ৪৮টা টেমাত ভৰ্তিকৰি ৰখা মাদকদ্ৰব্য আৰু ৪৮ হাজাৰ টকাৰো অধিক নগদ ধন জব্দ কৰা হৈছে। গোলাঘাট জিলাৰ সৰুপথাৰতো কালি বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰা হয়। সৰুপথাৰ থানাৰ সমীপৰ ৪ নম্বৰ ৱাৰ্ডত জব্দ কৰা মাদকদ্ৰব্যখিনিৰ মূল্য এক কোটি টকাৰো অধিক হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। এই সংক্ৰান্তত এজন লোকক আটক কৰি তদন্ত অব্যাহত ৰখা হৈছে।

গোলাঘাট জিলাৰ বগৰীজেং আৰক্ষী নিবেশৰ খেলপথাত আজি ১৯ লাখৰো অধিক টকা মূল্যৰ নিচাযুক্ত সামগ্ৰী দাহ কৰা হয়। জিলাখনৰ আৰক্ষী অধীক্ষকৰ উপস্থিতিত এই সামগ্ৰীসমূহ দাহ কৰা হয়। আৰক্ষী অধীক্ষক ৰাজেন সিঙে প্ৰকাশ কৰা মতে মাদকদ্ৰব্য সৰবৰাহৰ ঘটনাত জিলাখনত এতিয়ালৈ কমেও ৫০ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। তেওঁ কয় যে, মাদকদ্ৰব্যসমূহ সৰবৰাহকাৰীয়ে বহিঃৰাজ্যৰ পৰা গোলাঘাটৰ মাজেৰে সৰবৰাহকৰাৰ চেষ্টা চলাইছিল।

ooooo

ওড়িশাৰ ভূবনেশ্বৰত অনুষ্ঠিত খেলো ইণ্ডিয়া মহিলা মাণ্ডলিক ভাৰোত্তোলন চেম্পিয়নশ্বিপত অসমৰ মনিষা সোণোৱালে ৰূপৰ পদক অৰ্জন কৰে। মনিষাই য়ুথ শাখাত ১২০ কিলোগ্ৰাম ওজন দাঙি ৰূপৰ পদক জয় কৰে। আনহাতে ৰেখামণি গগৈয়ে জুনিয়ৰ শাখাত ৰূপ আৰু ছিনিয়ৰ শাখাত ব্ৰঞ্জৰ পদক দখল কৰিবলৈ সমৰ্থ হয়। অসমৰ মৃদুস্মিতা চিত্ৰকৰে ৪০ কিলোগ্ৰাম য়ুথ শাখাত ৰূপ পদক অৰ্জন কৰে।

ooooo

সমাপ্ত